৩.৪ মুদ্রাৰ সতর্কতামূলক চাহিদা

দৈনন্দিন ব্যয়ৰ উপৰিও জৰুৰী অৱস্থা আৰু হঠাতে দেখা দিয়া উপনিমিত্ত ব্যয়ৰ জোৰা মাৰিবলৈ মানুহক কিছু অতিৰিক্ত নগদ অথবা তৰল ধনৰ প্রয়োজন হয়। মুদ্রাৰ সতর্কতামূলক চাহিদা ভৱিষ্যৎ উপার্জন প্রাপ্তি আৰু ব্যয়ক লৈ থকা প্রত্যাশাৰ ওপৰত নির্ভৰশীল। ভৱিষ্যৎ উপার্জন আৰু অজ্ঞাত উপনিমিত্ত ব্যয়ৰ অনিশ্চয়তা হ'ল মুদ্রাৰ সতর্কতামূলক চাহিদাৰ প্রধান কাৰণ। ব্যৱসায়ীৰ বাবে লাভ আৰু লোকচানৰ দৰে ভৱিষ্যৎ প্রত্যাশা, মুদ্রাস্ফীতি আৰু মন্দাৱস্থাৰ দৰে অর্থনৈতিক অনিশ্চয়তা আদিৰ দৰে বিভিন্ন অনিশ্চয়তাৰ ফলত মুদ্রাৰ সতর্কতামূলক চাহিদাৰ সৃষ্টি হয়। পৰিয়ালবোৰেও কর্মসংস্থাপনহীনতা, দূর্ঘটনা, অসুস্থতা আদিৰ দৰে জৰুৰী অৱস্থাৰ বাবে কিছু নগদ ধন জমা ৰাখিব লাগে। ডব্লিউ. ডব্লিউ. হেইনচ (W.W.Haines) ৰ মতে সম্পত্তিৰ আকাৰ, জীৱন বীমাৰ সহজলভ্যতা, ভৱিষ্যৎ আয় প্রত্যাশা, ঋণৰ সহজলভ্যতা, আৰু বিত্তীয় প্রতিষ্ঠানবোৰৰ সুলভ্য সম্পত্তিৰ পৰা সুদ অর্জনত থকা দক্ষতা তথা এনে প্রতিষ্ঠানৰ সুৰক্ষা আদি কাৰকে মুদ্রাৰ সতর্কতামূলক চাহিদা বৃদ্ধিত প্রভাৱ পেলায়। কিন্তু কেইন্সৰ মতে মুদ্রাৰ লেনদেন চাহিদাৰ দৰে মুদ্রাৰ সতর্কতামূলক চাহিদাও এক স্থিৰ চাহিদা আৰু ই উপার্জন স্তৰৰ সৈতে প্রত্যক্ষভাৱে জড়িত প্রকার্য। অর্থাৎ, উপার্জনৰ স্তৰ যিমানেই উচ্চ হ'ব সিমানেই সতর্কতামূলক অভিপ্রায়ত খৰচৰ বাবে মুদ্রাৰ চাহিদা বাঢ়িব। ইয়াৰ আঁৰত দুটা প্রধান কাৰণ আছে-

- উপার্জন বঢ়াৰ লগে লগে মুদ্রাৰ লেনদেন চাহিদা বৃদ্ধি পোৱাৰ লগতে মানুহৰ সুৰক্ষা আৰু সুবিধা উপভোগৰ চাহিদাও বাঢ়ে। সেয়েহে অজ্ঞাত পৰিস্থিতিত খৰছ কৰিব পৰাকৈ পৰিয়ালবোৰে এক বুজন পৰিমাণৰ নগদ ধন নিজৰ সৈতে ৰাখে।
- ব্যৱসায়িক প্রতিষ্ঠানবোৰৰ আয় বঢ়াৰ লগে লগে এইবোৰৰ ব্যৱসায়িক অভিযান আৰু বিত্তীয় দায়ৱদ্ধতাও বাঢ়ে। ই সতর্কতামূলক উদ্দেশ্যত অধিক নগদ ধন ব্যয়ৰ চাহিদা সৃষ্টি কৰে।


প্রতীকৰ সহায়ত কথাটো এনেদৰে বুজাব পাৰি- $L_p = K_p (Y)$

ইয়াত, L_p হ'ল মুদ্রাৰ সতর্কতামূলক অভিপ্রায় চাহিদা,

Y মানে হ'ল মুদ্রা উপার্জনৰ পৰিমাণ আৰু K_p মানে হ'ল সতর্কতামূলক উদ্দেশ্যত খৰছৰ বাবে জমা ৰখা মুদ্রা উপার্জনৰ অনুপাত।

অর্থাৎ, মুদ্রাৰ লেনদেন চাহিদা ফলনটোৰ দৰে সতর্কতামূলক অভিপ্রায়ৰ বাবে মুদ্রাৰ চাহিদা ফলনটোও উপার্জন স্তৰৰ এক ঊর্ধমুখী প্রকার্য আৰু চিত্র ৩.২ ত দেখুওৱাৰ দৰে এই প্রকার্য সূচিত কৰা ৰেখাডাল বাঁওফালৰ পৰা সোঁফাললৈ ঊর্দ্ধমুখে গতি কৰে।

চিত্র ৩.২ উপার্জনৰ এক ঊর্দ্ধমুখী ফলন ৰূপে মুদ্রাৰ সতর্কতামূলক চাহিদা



মুদ্রাৰ সতর্কতামূলক চাহিদা আৰু মুদ্রাৰ লেনদেন চাহিদা উভয়েই উপার্জন স্তৰৰ এক ঊর্দ্ধমুখী ফলন আৰু সুদ অস্থিতিস্থাপক। এই দুয়োবিধ চাহিদাই একেলগে সক্রিয় নগদী ভাৰসাম্য চাহিদা, (demand for active cash balances) L_1 ৰ সৃষ্টি কৰে।

প্রতীকৰ সহায়ত কথাটো এনেদৰে বুজাব পাৰি-



$L_T + Lp$

$= K_T (Y) + Kp (Y)$

$= K(Y)$

অর্থাৎ , সক্রিয় ভাৰসাম্যৰ চাহিদা হ'ল উপার্জনৰ এক ফলন। সেয়েহে গম পোৱা গ'ল যে দুয়োবিধ চাহিদাৰ মাজত এক ধনাত্মক সম্পর্ক আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ মুদ্রাৰ সতর্কতামূলক চাহিদা মানে কি? (প্রায় ৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৬ ঃ সক্রিয় নগদী ভাৰসাম্য চাহিদা বুলিলে কি বুজে ? (প্রায় ৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৭ ঃ সক্রিয় ভাৰসাম্যৰ চাহিদা আৰু উপার্জন স্তৰৰ মাজত থকা সম্পর্কটো ব্যাখ্যা কৰক। (প্রায় ৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৩.৫ মুদ্রাৰ কল্পনাপ্রসূত চাহিদা- (কেইন্সে আগবঢ়োৱা মুদ্রাৰ নিষ্ক্রিয় নগদী ভাৰসাম্যৰ ধাৰণা)

মুদ্রাৰ কল্পনাপ্রসূত চাহিদাই মুদ্রাৰ মজুতমূল্য (store of value) অথবা জমাধন ফলন (asset function)ৰ কথা বুজায়। মুদ্রাৰ চাহিদাৰ বিষয়ে আলোচনা কৰাৰ সময়ত ধ্রুপদী অর্থনীতিবিদসকলে মুদ্রাৰ মূল্যনিধি ৰূপী ফলনটোৰ বিষয়ে আলোচনা নকৰিলে। সেয়েহে জে. এম. কেইন্সক মুদ্রাৰ কল্পনাপ্রসূত চাহিদা নামৰ এই অনন্য তথা বৈপ্লৱিক ধাৰণাটো বিকাশ ঘটোৱাৰ পূর্ণ কৃতিত্ব প্রদান কৰা হয়। ধ্রুপদী অর্থনীতিবিদসকলৰ মতে, মানুহে কেৱল লেনদেন আৰু সতর্কতামূলক অভিপ্রায়ত ব্যৱহাৰৰ বাবেহে নগদ ধন হাতত ৰাখে। অর্থাৎ, মানুহে কেৱল সক্রিয় নগদী ভাৰসাম্য ধৰি ৰাখে। কেইন্সে কৈছিল যে ভৱিষ্যৎ অনিশ্চয়তা সম্পর্কে থকা সন্দেহৰ বাবে মানুহে সক্রিয় ভাৰসাম্য বর্তাই ৰখাৰ উপৰি আৰু কিছু নগদ ধন হাতত ৰাখে আৰু মানুহে সক্রিয় ভাৰসাম্যৰ লগতে নিষ্ক্রিয় ভাৰসাম্যও বর্তাই ৰাখে।

মুদ্রাৰ কল্পনাপ্রসূত চাহিদা অনুসৰি মানুহে সুদৰ হাৰত হ'ব পৰা ভৱিষ্যৎ পৰিৱর্তনৰ ফলত ভৱিষ্যতে হ'ব পৰা লাভৰ কল্পনা কৰি হাতত নগদ ধন জমা ৰাখে। কেইন্সৰ অনুমান মতে অর্থনীতিত দুই ধৰণৰ জমাধন (assets) আছে- মুদ্রা আৰু ঋণপত্র (মুদ্রাৰ বাহিৰে আন সকলো ধৰণৰ বিত্তীয় সুৰক্ষা আৰু জমাধন)।

ঋণপত্র মূল্য আৰু সুদৰ বজাৰ দৰৰ মাজত থকা সম্পর্ক ঃ ঋণপত্র (bond) হ'ল চৰকাৰ অথবা কোনো বাণিজ্যিক নিগমে জাৰি কৰা চুক্তিভিত্তিক ঋণ বাধ্যবাধকতা (Contractual debt obligation)। ঋণপত্রৰ জৰিয়তে ধাৰকসকলক ঋণপত্রৰ ম্যাদ পূৰ হোৱাৰ অন্তত মূলধনৰ লগতে পর্যাবৃত্ত সুদৰ হাৰ ঘূৰাই দিয়া হ'ব বুলি প্রতিশ্রুতি দিয়া হয়। ঋণপত্রৰ মূল্য আৰু সুদৰ বজাৰ দৰৰ মাজত এটা বিপৰীত সম্পর্ক থাকে। ঋণপত্রৰ দৰ (bond price) অথবা ঋণপত্রৰ মূল্য (value of bond) আৰু সুদৰ বজাৰ দৰ (market rate of interest)ৰ মাজৰ সম্পর্ক এখন কুপন

ঋণপত্ৰ (Coupon bond)ৰ সহায়ত ভালদৰে বুজাব পাৰি। এনে ঋণপত্ৰই ম্যাদ পূৰ হোৱাৰ পাচত ধাৰকক ঋণপত্ৰৰ বিজ্ঞাপিত মূল্য (face value) ৰ লগতে নিয়মীয়া সুদ পৰিশোধ কৰে। বিজ্ঞাপিত মূল্য হ'ল ঋণপত্ৰ এখনৰ ম্যাদ পূৰ হোৱাৰ পাচত কিমান ধন পৰিশোধ কৰা হ'ব তাৰ মুদ্ৰিত ৰূপ। অৰ্থাৎ, এখন কুপন ঋণপত্ৰই সুদৰ এটা কুপন হাৰ সূচিত কৰে। এই কুপন দৰটোৱে ঋণপত্ৰখনে প্ৰতি বছৰে পৰিশোধ কৰিবলগীয়া সুদৰ বিজ্ঞাপিত মূল্যৰ শতকৰা হিচাপ নিৰ্ণয় কৰে। এখন এবছৰত ম্যাদ সম্পূৰ্ণ হ'বলগীয়া কুপনৰ মূল্য তলত দিয়া সূত্ৰটো প্ৰয়োগ কৰি নিৰ্ণয় কৰিব পাৰি।

$$P_{CB} = \frac{FV + PMT}{1+i}$$

ইয়াত, P_{CB} : কুপন ঋণপত্ৰখনৰ মূল্য

FV: ঋণপত্ৰখনৰ মূল্য

PMT: কুপনৰ ধন পৰিশোধ

i = সুদৰ বজাৰ দৰ।

উদাহৰণ স্বৰূপে-

ধৰা হ'ল,

FV=২০০০ টকা

কুপন দৰ = ১০%

i = ১০%

PMT= ২০০০ টকা × ১০% = ২০০ টকা

সেয়েহে, $P_{CB} = \frac{২০০০+২০০}{১+ ১০\%} = \frac{২২০০}{১.১} = ২০০০$

যদি সুদৰ শেহতীয়া হাৰ ৮% হয়, তেন্তে ঋণপত্ৰৰ মূল্য হ'ব

PcB = ২২০০/(১+০.০৮)=২০৩৭.০৩

দেখা গ'ল যে সুদৰ হাৰ নিম্নগামী হ'লে ঋণপত্ৰৰ শেহতীয়া বজাৰ মূল্য বৃদ্ধি হয়। আনহাতে যদি সুদৰ শেহতীয় বজাৰ দৰ ১২% হয় তেন্তে ঋণপত্ৰৰ শেহতীয়া মূল্য নিম্নগামী হ'ব।

PcB = ২২০০/(১+০.১২)=১৯৬৪.২৮

ওপৰৰ ব্যাখ্যাটোৰ পৰা বুজা গ'ল যে যেতিয়া সুদৰ শেহতীয়া হাৰ ৮% হয়, তেতিয়া ঋণপত্ৰৰ মূল ২০৩৭.০৩ টকা হ'ব আৰু সুদৰ শেহতীয়া হাৰ১২% হ'লে ঋণপত্ৰৰ মূল্য কমি গৈ ১৯৬৪.২৮ টকা হ'ব।

সাধাৰণভাৱে, n বৰ্ষৰ শেষত ঋণপত্ৰ এখনৰ মূল্য নিৰ্ধাৰণ কৰাৰ সূত্ৰটো হ'লঃ

$$P_{CB} = \frac{PMT}{1+i} + \frac{PMT}{(1+i)^2} + \frac{PMT}{(1+i)^3} + ... + \frac{PMT + FV}{(1+i)^n}$$

সুদৰ হাৰ আৰু ভৱিষ্যৎ সম্পৰ্কে প্ৰত্যাশা ঃ সম্পত্তি নগদধন ৰূপে নে ঋণপত্ৰ ৰূপে জমা ৰাখিব